**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
***::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদৰ সমীপৰ প্ৰাচীন নগৰ লোথালত নিৰ্মীয়মান ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা চলায়।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে জি এছ্ টি স্তৰৰ সংস্কাৰ সাধনৰ পৰিপ্ৰেক্ষিতত পৰহিৰ পৰা নিৰ্ধাৰিত সামগ্ৰীৰ মূল্য হ্ৰাস হব বুলি উল্লেখ কৰিছে।

৩। অসমৰ সংগীত জগতত বিশাল শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে আজিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে।

৪। কেন্দ্ৰীয় ধৰিত্ৰী বিজ্ঞান মন্ত্ৰী জীতেন্দ্ৰ সিঙে পলিমেটেলিক চালফাইদ অন্বেষণ কৰাৰ বাবে ধৰিত্ৰী বিজ্ঞান মন্ত্ৰালয় আৰু আন্তঃৰাষ্ট্ৰীয় সমুদ্ৰগৰ্ভ প্ৰাধিকৰণৰ মাজত ১৫ বছৰৰ বাবে এখন নতুন চুক্তিত স্বাক্ষৰ কৰাৰ কথা ঘোষণা কৰে। ***আৰু***

৫। চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমিফাইনেলত ভাৰতে আৰু মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

গুজৰাট ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আহমেদাবাদৰ সমীপৰ প্ৰাচীন নগৰ লোথাললৈ যায় আৰু লোথালত নিৰ্মীয়মান ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা চলায়। প্ৰধানমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো ভাগ লয়। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদ ৪ হাজাৰ ৫ শ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰি থকা হৈছে। সমগ্ৰ বিশ্বতে ভাৰতৰ সামুদ্ৰিক শক্তিৰ বিষয়ে অৱগত কৰোৱাই হৈছে এই ঐতিহ্য চৌহদ নিৰ্মাণৰ মূল লক্ষ্য। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে আকাশমাৰ্গেৰে ধোলেৰা স্মাৰ্ট ছিটিৰ পৰিদৰ্শন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৱনগৰত আয়োজিত **সমুদ্ৰ সে সমৃদ্ধি** অনুষ্ঠানত ৩৪ হাজাৰ ২০০ কোটিতকৈও অধিক ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ৭ হাজাৰ ৮০০ কোটি টকাতকৈও অধিক ব্যয়ৰ সামুদ্ৰিক প্ৰকল্পও ইয়াত অন্তৰ্ভুক্ত হৈ আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বন্দৰ, জাহাজ পৰিবহণ মন্ত্ৰালয়ৰ ৬৬ হাজাৰ কোটিতকৈও অধিক ব্যয় সাপেক্ষে ২১ খন বুজাবুজিৰ চুক্তি ভাৰ্চুৱেল মাধ্যমেৰে উৎসৰ্গা কৰে। অনুষ্ঠানত ভাষণ দি বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে দেশৰ সামুদ্ৰিক খণ্ডত বিগত ১১ বছৰত ব্যাপক ইতিবাচক পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এই পৰিৱৰ্তনত বন্দৰ খণ্ডৰ যথেষ্ট বৰঙণি আছে বুলি তেওঁ মত প্ৰকাশ কৰে। দেশত বন্দৰ খণ্ডৰ সামৰ্থ্য দুগুণ হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে বয়-বস্তু সৰবৰাহ কৰাৰ ক্ষেত্ৰতো অভিলেক সৃষ্টি হৈছে। দেশত জলপথ খণ্ডতো বিকাশ পৰিলক্ষিত হোৱা বুলি তেওঁ কয়।

ইয়াৰ পূৰ্বে ভাৰ নগৰত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিমান বন্দৰৰ পৰা জৱাহৰ গ্ৰাউণ্ডলৈ এটা বিশাল ৰ'ড শ্বোত অংশগ্ৰহণ কৰে।

oooo

দেশৰ নাগৰিকসকলৰ সুবিধাৰ বাবে জিএছটি শ্ৰেণীসমূহৰ সংস্কাৰ সাধন কৰা হৈছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে মন্তব্য কৰিছে। আজি টুটিকোৰিনৰ কোভিলপট্টীত দিয়াচলাই আৰু আতচবাজী নিৰ্মাণ সংস্থাৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ কয় যে চৰকাৰে ২০৪৭ চনত বিকশিত ভাৰতৰ সপোন আৰু দৃষ্টিভংগী সন্মুখত ৰাখি কাম কৰি আছে। চৰকাৰৰ তৰফৰ পৰা আতচবাজী আৰু দিয়াচলাই নিৰ্মাতাসকলৰ সুবিধাৰ বাবে সকলো ধৰণৰ সহায় আগবঢ়োৱা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয়। তেওঁ কয় যে যে ২২ ছেপ্টেম্বৰৰ পৰা জনসাধাৰণে জিএছটি হ্ৰাস হোৱাৰ বাবে অতি কম খৰচত সামগ্ৰী ক্ৰয় কৰিব পাৰিব। উল্লেখযোগ্য যে ৩৭৫ টা সামগ্ৰীৰ বাবে ইতিমধ্যে জিএছটি হ্ৰাস কৰা হৈছিল যিয়ে মানুহক সমাগত উৎসৱ উদযাপনত সহায় কৰিব বুলিও বিত্ত মন্ত্ৰীগৰাকীয়ে অৱগত কৰিছে।

oooo

গ্ৰাহক পৰিক্ৰমা বিভাগে নেক্সট-জেন জিএছটি সংস্কাৰৰ অংশ হিচাপে ৰাষ্ট্ৰীয় গ্ৰাহক হেল্পলাইনত জিএছটি অভিযোগ নিষ্পত্তিৰ বাবে কাম আৰম্ভ কৰিছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে সোমবাৰৰ পৰা কাৰ্যকৰী হ'ব লগা সংশোধিত জি. এছ. টি. হাৰ আৰু ৰেহাইৰ ৰূপায়ণৰ পিছত গ্ৰাহকৰ প্ৰশ্ন আৰু অভিযোগসমূহৰ সমাধানৰ বাবে অভিযোগ নিষ্পত্তি ব্যৱস্থা আৰম্ভ কৰা হৈছে। এই শ্ৰেণীৰ অধীনত অটোমোবাইল, বেংকিং, উপভোক্তা দীৰ্ঘস্থায়ী সামগ্ৰী, ই-কমাৰ্চ, এফ. এম. চি. জিকে ধৰি প্ৰধান শ্ৰেণীসমূহ আছে য'ত জি. এছ. টি. সম্পৰ্কীয় অভিযোগৰ পঞ্জীয়ন কৰা হ'ব। ৰাষ্ট্ৰীয় উপভোক্তা হেল্পলাইন হৈছে সমগ্ৰ দেশৰ গ্ৰাহকসকলৰ বাবে অভিযোগ পঞ্জীয়ন কৰাৰ বাবে আৰম্ভ হৈছে। মন্ত্ৰালয়ে কয় যে গ্ৰাহকসকলে এতিয়া সোতৰটা ভাষাত টোল-ফ্ৰী নম্বৰ ১৯১৫ বা আই. এন. জি. আৰ. এ. এম. (I.N.G.R.A.M) প 'ৰ্টেলৰ জৰিয়তে তেওঁলোকৰ অভিযোগ সমূহ দাখিল কৰিব পাৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱসৰ ভাষনত দেশৰ জনসাধাৰণৰ সুবিধাৰ বাবে শেহতীয়াকৈ GST সংশোধনৰ কথা ঘোষণা কৰা পিছতেই চৰকাৰে বৈদ্যুতিক সামগ্ৰী আৰু সৌৰচালিত সামগ্ৰীসমূহত কৰৰ পৰিমান হ্ৰাসৰ কথা প্ৰকাশ কৰিছে। ৰেল বিভাগেও ৰেল ষ্টেচনৰ লগতে ৰে'ল সমূহত উপলব্ধ পানীৰ বটল সমূহৰ মূল্য হ্ৰাস কৰিছে। পূৰ্বে ১৫ টকাত উপলব্ধ হোৱা ১ লিটাৰ পানী বটলৰ মূল্য ১৪ টকা কৰাৰ লগতে ৫৫০ মিলিলিটাৰৰ পানীৰ বটলৰ মূল্য পূৰ্বৰ ১০টকাৰ পৰিৱৰ্তে ৯ টকা কৰা হৈছে। উল্লেখযোগ্য যে ২২ ছেপ্টেম্বৰৰ পৰা ৰেল সমূহত পানী বটলৰ এই নতুন নিৰিখ প্ৰযোজ্য হ'ব।

oooo

অসমৰ সংগীত জগতত বিশাল শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে আজিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক অনুষ্ঠান, আনুষ্ঠানিক কাৰ্যসূচী আৰু ৰাজহুৱা উৎসৱ স্থগিত থাকিব।

শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটীলৈ অনাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি সন্ধিয়া প্ৰায় ৬ বজাত নতুন দিল্লীলৈ ৰাওনা হয়। মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও নতুন দিল্লীলৈ গৈছে। ছিংগাপুৰৰ পৰা শিল্পীগৰাকীৰ নশ্বৰ দেহ কঢ়িয়াই অনা বিমানখন ইতিমধ্যে ৰাওনা হৈছে আৰু আজি নিশা প্ৰায় ১২ বজাত নতুন দিল্লী বিমান বন্দৰত বিমানখনে অৱতৰণ কৰিব। ইয়াৰ পাছতে শিল্পীগৰাকীৰ অসম অভিমুখে অন্তিম যাত্ৰা আৰম্ভ হ'ব।

আজি নতুন দিল্লীলৈ যাত্ৰাৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান, মহানগৰ আৰক্ষী আয়ুক্ত আৰু গুৱাহাটী লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰ কৰ্তৃপক্ষৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৱঙৰ সৈতে কথা পাতিছে। উচ্চায়ুক্তগৰাকীয়ে এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় ধৰিত্ৰী বিজ্ঞান মন্ত্ৰী জীতেন্দ্ৰ সিঙে ভাৰত মহাসাগৰৰ কাৰ্লছবাৰ্গ ৰিদ্‌জত পলিমেটেলিক চালফাইদ চমুকৈ পি এম এছ্ অন্বেষণ কৰাৰ বিশেষ অধিকাৰৰ বাবে ধৰিত্ৰী বিজ্ঞান মন্ত্ৰালয় আৰু আন্তৰ্ৰাষ্ট্ৰীয় সমুদ্ৰগৰ্ভ প্ৰাধিকৰণৰ মাজত ১৫ বছৰৰ বাবে এখন নতুন চুক্তিত স্বাক্ষৰ কৰাৰ কথা ঘোষণা কৰে। বৰ্তমান ভাৰত ভ্ৰমণত থকা আন্তৰ্ৰাষ্ট্ৰীয় সমুদ্ৰগৰ্ভ প্ৰাধিকৰণৰ সচিব প্ৰধান লিটিচিয়া ৰিচ-দি কাৰ্বালহোৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি স্বাক্ষৰ কৰাৰ ফলত ভাৰত পি এম এছ্ অন্বেষণ কৰাৰ বাবে আন্তৰ্ৰাষ্ট্ৰীয় সমুদ্ৰগৰ্ভ প্ৰাধিকৰণৰ সৈতে দুখন চুক্তিত স্বাক্ষৰ কৰা বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হ'ল। উল্লেখযোগ্য যে পলিমেটেলিক চালফাইদত লোহা, তাম, জিংক, ৰূপ, সোণ, আৰু প্লেটিনামৰ লেখিয়া মূল্যবান ধাতু থাকে। শ্ৰীসিঙে কয় যে এই নতুন চুক্তি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা গভীৰ সামুদ্ৰিক অভিযানক বাস্তৱায়িত কৰাৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

০০০০

তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী এল মুৰুগানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা দেশৰ ২৫ কোটি জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত হৈছে বুলি উল্লেখ কৰিছে। নতুন দিল্লীত আজি **মোদীনমিক্স - এ জাৰ্নি এৰ ইনক্লুছিভ গ্ৰোথ** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয়, যে গ্ৰন্থখনত প্ৰধানমন্ত্ৰী মোদীৰ গুজৰাটৰ মুখ্যমন্ত্ৰীৰ পৰা দেশৰ প্ৰধানমন্ত্ৰী হোৱাৰ ২৫ বছৰীয়া ৰাষ্ট্ৰসেৱাৰ ৰাজনৈতিক যাত্ৰাৰ বিষয়ে বিশ্লেষণ কৰা হৈছে। প্ৰধানমন্ত্ৰী জন ধন যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আদিৰ দৰে আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি শ্ৰীমুৰুগানে কয়, যে দেশৰ জনসাধাৰণৰ কল্যানৰ বাবে এনেধৰণৰ আঁচনিসমূহ ৰূপায়ণ কৰা হৈছে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰে।

০০০০

প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ সেহগলে হায়দৰাবাদৰ দূৰদৰ্শন কেন্দ্ৰৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ জৰিয়তে জনসাধাৰণৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ আহ্বান জনাইছে। তেওঁ কয়, যে জনসাধাৰণক তথ্যৰ জৰিয়তে সৱল কৰি তুলিব লাগে যাতে তেওঁলোকে ৰাষ্ট্ৰ নিৰ্মাণত নিজৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সেহগলে আজি দূৰদৰ্শন কেন্দ্ৰলৈ যায় আৰু কেন্দ্ৰটোৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ দূৰদৰ্শন কেন্দ্ৰটোৰ

কৰ্মচাৰীসকলক কাৰ্যসূচীসমূহৰ মান উন্নত কৰাৰ সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ইয়াৰ পূৰ্বে তেওঁ হিন্দী পোখৰাৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰি কয় যে প্ৰতিগৰাকী ব্যক্তিৰ অতি কমেও ৩ ভাষাৰ জ্ঞান থাকিব লাগে।

0000

চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমিফাইনেল খেল ভাৰতৰ সাত্বিকসাইৰাজ ৰণকীৰেড্ডী - চিৰাগ চেট্টী আৰু মালয়েছিয়াৰ আৰন চিয়া - চোহ্ বুই ইক যুটীৰ মাজত চলি আছে। বাতৰি লিখাৰ পৰলৈকে ভাৰতৰ যুটীটোৱে প্ৰথম গেমত জয়লাভ কৰাৰ লগতে দ্বিতীয়টো গেমত আগবাঢ়ি আছে। ভাৰতৰ খেলুৱৈদ্বয়ে কোৱাৰ্টাৰ ফাইনেলত কালি চীনৰ ৰেন জিয়াং য়ু আৰু শ্বি হাওনানক ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰিছে।

0000

সমাপ্ত